অধ্যায় ১

# ভাৰতবৰ্ষত মানৱ অধিকাৰৰ উৎপত্তি আৰু বিকাশ

- প্ৰাচীন, মধ্যযুগ আৰু উপনিবেশিক যুগ
- মানৱ অধিকাৰ আৰু ভাৰতীয় সংবিধান
- মানৱ অধিকাৰ সুৰক্ষা আইন, ১৯৯৩ চন

মানৱ অধিকাৰ প্ৰাকৃতিক অধিকাৰ হিচাপে প্ৰাচীন কালৰে পৰাই প্ৰচলিত হৈ আহিছে। অধিকাৰ অবিহনে মানুহে শাৰীৰিক, মানসিক, আধ্যাত্মিক আৰু নৈতিক দিশত বিকাশ লাভ কৰিবলৈ সক্ষম হ'ব নোৱাৰে। অধিকাৰে মানুহক পূৰ্ণ ব্যক্তিত্ব অৰ্জনত সহায় কৰে। সেইবাবেই সমাজত মানুহৰ অধিকাৰ প্ৰতিষ্ঠাৰ হেপাঁহ আৰু প্ৰচেষ্টা প্ৰাচীন আৰু সাৰ্বজনীন। অৱশ্যে অধুনিক ৰাষ্ট্ৰ ব্যৱস্থা গঠন হোৱাৰ পিছতহে সংগঠিত আৰু বিধিগত ৰূপত মানৱ অধিকাৰৰ ধাৰণাটো প্ৰতিষ্ঠিত হৈছে। বৰ্তমান সময়ত প্ৰায়বোৰ ৰাষ্ট্ৰতে নাগৰিকক কিছুমান প্ৰয়োজনীয় প্ৰাথমিক অধিকাৰ প্ৰদান কৰা হৈছে।

এক বিশ্বজনীন আৰু সংগঠিত ধাৰণা হিচাবে বিংশ শতাব্দীৰ মাজভাগত মানৱ অধিকাৰৰ ধাৰণা প্ৰতিষ্ঠা আৰু জনপ্ৰিয়তা লাভ কৰিছে। ৰাষ্ট্ৰসংঘৰ প্ৰচেষ্টাত মানৱ অধিকাৰৰ ধাৰণাটোৱে আন্তঃৰাষ্ট্ৰীয়ভাৱে সমাদৰ আৰু স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছে।

## প্ৰাচীন আৰু মধ্যযুগ ঃ (Ancient and Medieval)

প্ৰাকৃতিক অধিকাৰৰ ৰূপত মানৱ অধিকাৰৰ প্ৰতি মানুহৰ সচেতনতা আৰু আগ্ৰহ বহু পূৰ্বৰে পৰাই চলি আহিছে। সকলো জীৱৰ প্ৰতি প্ৰেম, দয়া আৰু পৰোপকাৰৰ ধাৰণা প্ৰাচীন কালৰে পৰাই ভাৰতবৰ্ষত প্ৰচলিত হৈ আহিছে। প্ৰাচীন ভাৰতীয় সমাজত সকলো মানৱ আত্মাক ভগৱান সদৃশ জ্ঞান কৰা হৈছিল। মানৱ সেৱাই শ্ৰেষ্ঠ ধৰ্ম বুলি বিশ্বাস কৰা পৰম্পৰাৰ পৰাই অনুমান কৰিব পাৰি যে প্ৰাচীন ভাৰতীয় সমাজত মানৱ অধিকাৰৰ প্ৰতি সন্মান যঁচা হৈছিল। নিজে জীয়াই থকা আৰু আনকো জীয়াই থাকিবলৈ

Scanned with CamScanner

অধিকাৰ দিয়াটো ভাৰতীয় সমাজৰ উৎকৃষ্ট ধৰ্ম বুলি বিবেচিত হৈ আহিছে। প্ৰাচীন ভাৰতীয় সমাজত ব্যক্তি স্বাধীনতাৰ প্ৰতি গুৰুত্ব প্ৰদান কৰা হৈছিল। ন্যায় আৰু নৈতিকতাৰ আদৰ্শৰ ভিত্তিত শাসন পৰিচালনা কৰাটো ৰজাৰ ধৰ্ম বুলি গণ্য কৰা হৈছিল।

প্ৰাচীন ভাৰতীয় ধৰ্মগ্ৰন্থ আৰু ধৰ্মমতসমূহে মানৱ সেৱাকে উৎকৃষ্ট সেৱা বুলি ঘোষণা কৰিছে। ভাৰতীয় পৰম্পৰা অনুসৰি সকলো জীৱৰে প্ৰতি দয়া প্ৰেম আৰু সেৱাৰ মনোভাব প্ৰদৰ্শন কৰাটো এক নৈতিক দায়িত্ব। প্ৰাচীন ভাৰতীয় দাৰ্শনিকসকলে মানুহৰ সুখ আৰু কল্যাণ নৈতিকতাৰ আদৰ্শৰ দ্বাৰা নিয়ন্ত্ৰিত হ'ব লাগে বুলি মত দাঙি ধৰিছিল। ব্যক্তিয়ে বৈষয়িক আৰু আধ্যাত্মিক উৎকৰ্ষতা আহৰণ কৰিবলৈ সামাজিক অধিকাৰৰ নিতান্তই আৱশ্যক।

ব্যক্তিৰ এই অধিকাৰ প্ৰাকৃতিক অধিকাৰ হিচাবে প্ৰাচীন ভাৰতীয় ধৰ্মগ্ৰন্থসমূহে সমৰ্থন কৰিছে। মানুহৰ দুখ-কষ্ট আৰু যন্ত্ৰণা হ্ৰাস বা দূৰীকৰণ কৰি এখন সুখী আৰু শান্তিপূৰ্ণ মানৱ সমাজ স্থাপন কৰাটো প্ৰাচীন ভাৰতীয় দৰ্শনৰ লক্ষ্য আছিল। প্ৰজাৰ জীৱন আৰু সম্পত্তিৰ নিৰাপত্তা নিশ্চিত কৰাটো ৰজাৰ এক পৰম নৈতিক দায়িত্ব বুলি বিবেচনা কৰা হৈছিল।

প্ৰাচীন ভাৰতবৰ্ষত যুদ্ধ সম্পৰ্কীয় নীতি-নিয়মসমূহৰ মাজত মানৱ অধিকাৰৰ ধাৰণাৰ প্ৰতিফলন ঘটিছিল। যুদ্ধৰ আগত আৰু যুদ্ধৰ পিছত কিছুমান নীতি-নিয়ম মানি চলাৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। যুদ্ধৰ সময়ত কিছুমান মানৱীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছিল। যুদ্ধৰ সময়ত সাধাৰণ মানুহৰ জীৱন আৰু সা-সম্পত্তি ক্ষতিগ্ৰস্ত হ'ব পৰা ধ্বংসাত্মক অস্ত্ৰ প্ৰয়োগৰ পৰা বিৰত থকাৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। যুদ্ধ বন্দী অথবা যুদ্ধত আহত আৰু ৰুগীয়া সৈন্যসকলৰ শুশ্ৰূষা কৰা হৈছিল।

প্ৰাচীন ভাৰতীয় ধৰ্মশাস্ত্ৰসমূহত মানুহৰ অধিকাৰৰ কিছুমান বিৱৰণ পোৱা যায়। ধৰ্মশাস্ত্ৰসমূহে ৰজা আৰু প্ৰজা উভয়কে সত্য, অহিংসা, দয়া আৰু পৰোপকাৰৰ নীতি গ্ৰহণ কৰিবলৈ অনুপ্ৰাণিত কৰিছিল। প্ৰাচীন ভাৰতীয় ধৰ্ম শাস্ত্ৰসমূহত সমগ্ৰ মানৱ জাতিৰ সুখ আৰু কল্যাণ সাধনৰ বিষয়ে উল্লেখ আছে। প্ৰাচীন ভাৰতীয় দৰ্শনত সমগ্ৰ মানৱ জাতিকে এটা 'বিশ্ব পৰিয়াল' বুলি বিশ্বাস কৰা হৈছিল। 'বসুধৈৱ কুটুম্বকম'(Vasudhaiva Kutumbakam) অৰ্থ্যাৎ মানৱ জাতি এটা পৰিয়ালৰ অংগ বুলি বিবেচনা কৰা হৈছিল। 'বসুধৈৱ কুটুম্বকম' এই ভাৰতীয় ধাৰণাটোৱে মানৱ জাতিৰ মাজত সাৰ্বজনীন সমতা স্থাপনত গুৰুত্ব দিছিল। প্ৰাচীন কালৰেপৰা চলি অহা ভাৰতীয় অহিংসাৰ ধাৰনাটোৱে ব্যক্তি মৰ্য্যাদা ৰক্ষা আৰু সন্মান অটুট ৰখাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। প্ৰখ্যাত হিন্দু ধৰ্ম গ্ৰন্থ মহাভাৰততো ব্যক্তি স্বাধীনতাৰ আৱশ্যকতাৰ বিষয়ে বৰ্ণনা কৰা হৈছে। ঋগবেদত তিনি প্ৰকাৰৰ ব্যক্তি অধিকাৰৰ উল্লেখ পোৱা যায়। সেইকেইটা হ'ল টন্ (Tana) অৰ্থাৎ শৰীৰ, শ্ৰীদ্ধি (Shridhi) অৰ্থাৎ বাসস্থান আৰু জীৱসী (Jibhasi) আৰ্থাৎ জীৱন।

Scanned with CamScanner

বিখ্যাত সংস্কৃত পণ্ডিত পানিনীৰ (Panini) মতে প্ৰজাক নিৰাপত্তা প্ৰদান কৰাটো ৰজাৰ ধৰ্ম। তেখেতে সমাজৰ পৰা অৰাজকতা আৰু বিশৃংখলতাৰ অৱসান ঘটাই প্ৰজাৰ সুখ আৰু শান্তি ৰক্ষা কৰাটো ৰজাৰ শ্ৰেষ্ঠ কাৰ্য বুলি বিবেচনা কৰিছিল। প্ৰাচীন হিন্দু দাৰ্শনিক মনুয়ে (Manu) ৰজা আৰু প্ৰজাৰ অধিকাৰ সম্পৰ্কে 'মনুস্মৃতি'ত উল্লেখ কৰিছিল। তেখেতৰ মতে ৰজা আৰু প্ৰজা উভয়ে আইনৰ অধীন। কৌটিল্যৰ(Kautilya) 'অৰ্থশাস্ত্ৰ'ত প্ৰজাৰ কল্যাণ সাধনৰ বাবে গ্ৰহণ কৰিব লগা বিভিন্ন ব্যৱস্থাৰ উল্লেখ আছে। ৰাজ্যৰ বিষয়াসকলৰ দায়িত্ব আৰু কৰ্তব্য সম্বন্ধে অৰ্থশাস্ত্ৰত বিস্তৃত বিৱৰণ আছে। অৰ্থশাস্ত্ৰত ন্যায় প্ৰতিষ্ঠা, অপৰাধ আৰু অসামাজিক উপাদানসমূহক দমন কৰা, প্ৰজাৰ অৰ্থনৈতিক অৱস্থা টনকিয়াল কৰা, প্ৰাকৃতিক দুৰ্য্যোগৰ পৰা প্ৰজাক সুৰক্ষা প্ৰদানৰ বিষয়ে বিশদ বিৱৰণ আছে। কৌটিল্যই দুখীয়া, নিঃসহায়, অনাথ শিশু, বৃদ্ধ আৰু অন্তঃসত্বা নাৰীক প্ৰয়োজনীয় সকলোধণৰ সাহায্য আগবঢ়োৱাৰ পোষকতা কৰিছিল। ৰাজ্যৰ পৰিসীমা আৰু মানুহৰ নিৰাপত্তা, সুখ, শান্তি আৰু সুস্বাস্থ্যৰ ব্যৱস্থা কৰাটো ৰজাৰ নৈতিক দায়িত্ব বুলি কৌটিল্যই বিশ্বাস কৰিছিল। সমাজত শান্তি শৃংখলা স্থাপন, অপৰাধ নিয়ন্ত্ৰণ কৰি ব্যক্তিৰ নৈতিক আৰু বৈষয়িক উৎকৰ্ষ সাধনৰ কিছুমান প্ৰয়োজনীয় ব্যৱস্থাৰ বিষয়ে অৰ্থশাস্ত্ৰত উল্লেখ আছে। সমাজৰ দুৰ্বল আৰু দুখীয়া মানুহক শোষণৰ পৰা মুক্ত কৰি সুখ আৰু সমৃদ্ধিৰ ব্যৱস্থা কৰাত কৌটিল্যই গুৰুত্ব আৰোপ কৰিছিল। ধৰ্ম উলংঘনকাৰী, অপৰাধী আৰু আন আন অসামাজিক উপাদানসমূহক দমন কৰিবলৈ ৰজাই দণ্ডনীতি প্ৰয়োগ কৰিব লাগে বুলি কৌটিল্যই মত পোষণ কৰিছিল। কৌটিল্যই আইনৰ শাসনৰ ওপৰত গুৰুত্ব দিছিল। তেখেতৰ মতে ৰজা আৰু প্ৰজা উভয়ে আইনৰ শাসনৰ দ্বাৰা পৰিচালিত আৰু নিয়ন্ত্ৰিত হ'ব লাগে। কৌটিল্যৰ মতে যিজন ৰজা বা শাসকে বিনা কাৰণত প্ৰজাক দণ্ড দিয়ে তেওঁ নৰকত বাস কৰিব লাগে।

কৌটিল্যৰ অৰ্থশাস্ত্ৰত বিচাৰ কাৰ্য্যৰ বিষয়েও বিৱৰণ পোৱা যায়। তেখেতৰ মতে বিচাৰ কাৰ্য্যত জড়িত বিষয়াসকলে নিজৰ ইচ্ছা-অনিচ্ছা, আকাংক্ষা-অনুভূতিৰ ওপৰত গুৰুত্ব নিদি নিৰপেক্ষ ভাৱে বিচাৰ কাৰ্য্য সম্পাদন কৰিব লাগে। বিচাৰকসকল লোভী ব্যক্তি অথবা অপৰাধীক শাস্তি প্ৰদান কৰি আনন্দ লাভ কৰা বিধৰ হ'ব নালাগে। অপৰাধৰ মাত্ৰা অনুযায়ীহে ব্যক্তিক শাস্তি প্ৰদানত গুৰুত্ব দিব লাগে বুলি কৌটিল্যই মত পোষণ কৰিছিল। দণ্ড প্ৰদান কাৰ্য নিৰপেক্ষ আৰু ন্যায়-নীতিৰ ওপৰত প্ৰতিষ্ঠিত হ'লেহে সমাজত সুখ-শান্তি আৰু সমৃদ্ধি সম্ভৱ হয়।

বৌদ্ধ ধৰ্ম আৰু জৈন ধৰ্মৰ বাণীসমূহতো মানুহৰ অধিকাৰৰ সুৰক্ষা আৰু সন্মান প্ৰদানৰ পৰম্পৰা পৰিলক্ষিত হয়। বৌদ্ধ ধৰ্ম আৰু জৈন ধৰ্মই মানৱ মৰ্য্যাদা সংৰক্ষণত

Scanned with CamScanner

গুৰুত্ব প্ৰদান কৰে। বৌদ্ধ ধৰ্মৰ মূল নীতি হৈছে অহিংসাই পৰম ধৰ্ম। এই অহিংসা কেৱল মানুহৰ প্ৰতিয়েই নহয়, জীৱ-জন্তু, পশু-পক্ষী সকলোৰে প্ৰতি অহিংস আচৰণ প্ৰদৰ্শন কৰিব লাগে। বৌদ্ধ ধৰ্মৰ মূল উদ্দেশ্য হ'ল অহিংস, ন্যায়নিষ্ঠ আৰু দয়াৰে পৰিপূৰ্ণ এখন সমাজ স্থাপন কৰা য'ত সকলো জীৱ বা প্ৰাণীয়ে নিৰ্ভয়ে বসবাস কৰিব পাৰে। প্ৰতিজন মানুহে নিজক ৰক্ষা কৰাৰ উপৰিও আন জীৱক হত্যা নকৰি সুৰক্ষা প্ৰদান কৰিব লাগে। গৌতম বুদ্ধই এজন সৎ, দয়াবান আৰু অহিংস ৰজাৰ পোষকতা কৰিছিল। প্ৰজাৰ সুৰক্ষা, কল্যাণ আৰু সুখৰ বাবে ৰজাই ৰাজ্য পৰিচালনা কৰা উচিত।

বৌদ্ধ ধৰ্মমত অনুসৰি ন্যায় সামাজিক কল্যাণ আৰু সুখৰ মূল। গতিকে শাসকৰ প্ৰতিটো কাৰ্য্য ন্যায় নীতিৰ ভিত্তিত পৰিচালিত হ'ব লাগে। শাসকে কেতিয়াও স্বৈৰাচাৰী আচৰণ বা কাৰ্য্যত লিপ্ত হ'ব নালাগে, কাৰণ শাসকৰ স্বৈৰাচাৰী আচৰণ বা কাৰ্য্যই মানুহৰ দুখ আৰু যন্ত্ৰণা বৃদ্ধি কৰে।

গুপ্ত যুগত ৰজাই প্ৰজাৰ কল্যাণৰ উদ্দেশ্যে নিষ্ঠা আৰু সততাৰে শাসন কাৰ্য পৰিচালনা কৰাত গুৰুত্ব আৰোপ কৰা হৈছিল। শাসকে প্ৰজাৰ সুখ-সুবিধাৰ প্ৰতি মনোযোগ দিব লাগে আৰু প্ৰজাক প্ৰয়োজনীয় খাদ্য যোগান ধৰাটো শাসকৰ এক অতি গুৰুত্বপূৰ্ণ দায়িত্ব বুলি গণ্য কৰা হৈছিল। শাসকে প্ৰজাৰ দোষ আৰু অপৰাধৰ নিৰপেক্ষ বিচাৰ কৰি শাস্তি প্ৰদানত গুৰুত্ব দিয়া হৈছিল। দুখীয়া ব্যক্তিসকলক শাসকে সম্পত্তি প্ৰদানৰ ব্যৱস্থা কৰিছিল।

মধ্যযুগতো মানৱ অধিকাৰৰ প্ৰতি সন্মান প্ৰদৰ্শন আৰু অধিকাৰ সংৰক্ষণৰ কিছুমান ব্যৱস্থা আছিল। পবিত্ৰ কোৰান(Holly Koran) গ্ৰন্থত মানুহৰ মাজত ভাতৃত্ব ভাৱ সৃষ্টি কৰা, ন্যায়দান, সমতা আৰু দয়াৰ কথা উল্লেখ আছে। মোগল সম্ৰাট আকবৰৰ শাসন কালত প্ৰজাৰ সুখ আৰু কল্যাণৰ উদ্দেশ্যে বহুতো জনহিতকৰ কাৰ্য্যসূচী গ্ৰহণ কৰা হৈছিল। তেখেতৰ শাসন কালৰ এটা উল্লেখযোগ্য দিশ আছিল সকলো ধৰ্মৰ মানুহৰ প্ৰতি সম ব্যৱহাৰ আৰু সহনশীলতা প্ৰদৰ্শন। আকবৰৰ শাসন কালত জাতি বৰ্ণ ধৰ্ম নিৰ্বিশেষে সকলোৰে সমান মৰ্য্যাদাৰ অধিকাৰ লাভ কৰিবলৈ সুযোগ লাভ কৰিছিল। আকবৰৰ শাসনকালত আইনৰ দৃষ্টিত সকলো ব্যক্তিকে সমান মৰ্য্যাদা দিয়া হৈছিল। আকবৰ এজন মানৱতাৰ প্ৰতি শ্ৰদ্ধাশীল মনোভাৱ সম্পন্ন শাসক আছিল। তেখেতৰ সৰ্বধৰ্ম সহিষ্ণুতা এক উল্লেখযোগ্য গুণ আছিল। আকবৰে প্ৰজাৰ মঙ্গলৰ উদ্দেশ্যে বিভিন্ন সংস্কাৰমূলক কাৰ্য্যসূচী গ্ৰহণ কৰিছিল। আকবৰে পূৰ্বৰ মোগল শাসকে হিন্দুসকলৰ ওপৰত আৰোপ কৰা ধৰ্মীয় কৰ প্ৰত্যাহাৰ কৰিছিল। আকবৰে যুদ্ধত পৰাজিত হিন্দু সৈন্য সকলক ক্ৰীতদাস কৰা নাছিল। আকবৰে বলপূৰ্বক সতীদাহ প্ৰথা নিষিদ্ধ কৰিছিল। তেখেতে বিধবা বিবাহ সমৰ্থন কৰি আইনসংগত বুলি ঘোষণা কৰিছিল। তদুপৰি শিশু হত্যা নিষিদ্ধ কৰিছিল।

Scanned with CamScanner

মাৰাঠা সম্ৰাট শিৱাজীৰ শাসনকালৰ মূল নীতি আছিল জনসাধাৰণৰ কল্যাণ সাধন। শিৱাজীক এজন মানৱতাবাদী শাসক হিচাপে গণ্য কৰা হয়। শিৱাজীয়ে যুদ্ধৰ নামত অপ্ৰয়োজনীয় হত্যা নাইবা অত্যাচাৰৰ বিৰোধিতা কৰিছিল। মহিলাৰ প্ৰতি সন্মান, যুদ্ধৰ পিছত হত্যা বা অত্যাচাৰ বন্ধ কৰা, যুদ্ধত লিপ্ত নথকাসকলক হত্যা নকৰা, সন্মানসহ যুদ্ধবন্দীসকলক মুক্তি দিয়া ইত্যাদি শিৱাজীৰ শাসনকালৰ উল্লেখযোগ্য মানৱীয় বৈশিষ্ট্য আছিল।

ভক্তি আন্দোলনৰ সময়ছোৱাত মানুহৰ মাজত সমতা আৰু ভাতৃত্বভাৱ সৃষ্টি আৰু বৃদ্ধি কৰাত মনোনিৱেশ কৰা হৈছিল। এই সময়ছোৱাত প্ৰাচীন মহৎ মূল্যবোধ কিছুমান যেনে- সত্য, শুদ্ধ, ন্যায় আৰু নৈতিকতা ইত্যাদি গুণ সমূহৰ প্ৰতিষ্ঠা কৰাত গুৰুত্ব দিয়া হৈছিল। এই মূল্যবোধসমূহৰ উদ্দেশ্য আছিল এখন সুখী মানৱ সমাজ গঢ় দিয়া য'ত প্ৰতিজন মানুহে দুখ কষ্ট যন্ত্ৰণা অভাৱ অনাটনৰ পৰা মুক্ত হৈ এক ন্যায়সংগত আৰু নিৰাপদ জীৱন যাপন কৰিবলৈ সক্ষম হ'ব পাৰে। এইদৰে দেখা যায় যে মানৱ সমাজত সুখ, সমৃদ্ধি আৰু ন্যায় প্ৰাপ্তিৰ ধাৰণাসমূহত প্ৰাচীন আৰু মধ্যযুগৰ ভাৰতীয় সমাজত মানৱ অধিকাৰ প্ৰতিফলিত হৈছিল বুলি ক'ব পাৰি।

## উপনিবেশিক যুগ
## (Colonial Period) ঃ

বৃটিছ উপনিবেশিক শাসনকালত ভাৰতবৰ্ষৰ মানৱ অধিকাৰৰ প্ৰণালীবদ্ধ বিকাশ আৰম্ভ হৈছিল। এই ক্ষেত্ৰত স্বাধীনতা আন্দোলন আৰু ভাৰতীয় জাতীয় কংগ্ৰেছৰ ভূমিকা লেখত লবলগীয়া। ভাৰতবৰ্ষৰ নৱজাগৰণৰ পিতৃপুৰুষ ৰাজা ৰামমোহন ৰায়ৰ প্ৰচেষ্টা আৰু উদ্যমত প্ৰাচীন কালৰে পৰা প্ৰচলিত হৈ থকা বৈষম্য আৰু নিপীড়ণ বন্ধ কৰাৰ বাবে দাবী উত্থাপিত হৈছিল। ধৰ্মৰ নামত সমৰ্থন কৰি অহা সতীদাহ প্ৰথা, শিশু বিবাহ প্ৰথা আৰু শিশু বলি প্ৰথা অযুক্তিকৰ আৰু অমানৱীয় বুলি ৰাজা ৰামমোহন ৰায়ে যুক্তি দৰ্শাইছিল। ৰাজা ৰামমোহন ৰায়ে মহিলাৰ সম-অধিকাৰ দৃঢ়ভাৱে সমৰ্থন কৰিছিল। তেখেতে বিধৱা বিবাহ প্ৰচলন আৰু মহিলাৰ সম্পত্তিৰ অধিকাৰ সমৰ্থন কৰিছিল। ৰাজা ৰামমোহন ৰায়ৰ উদাৰ গণতান্ত্ৰিক আদৰ্শত গভীৰ বিশ্বাস আছিল। সেইবাবে তেখেতে ব্যক্তিৰ সমমৰ্য্যাদা প্ৰতিষ্ঠা কৰাত অধিক গুৰুত্ব আৰোপ কৰিছিল।

১৮২৭ চনত ৰাজা ৰামমোহন ৰায়ৰ নেতৃত্বত ব্ৰিটিছ সংসদত ভাৰতীয় মানুহৰ অধিকাৰ ৰক্ষণাবেক্ষণৰ দাবীত এখন আবেদন দাখিল কৰা হৈছিল। তেখেতে ব্ৰিটিছ শাসনৰ অধীনত ভাৰতবৰ্ষৰ বিচাৰ ব্যৱস্থাত চলি থকা ধৰ্মীয় বৈষম্যৰ প্ৰৱল বিৰোধিতা

কৰিছিল। সেই সময়ত বৃটিছ ন্যায়িক ব্যৱস্থা অনুসৰি ভাৰতীয়সকলক খ্ৰীষ্টান বিচাৰকেহে বিচাৰ কৰিব পাৰিছিল। আনহাতে খ্ৰীষ্টানসকলক ভাৰতীয় বিচাৰকে বিচাৰ কৰিবলৈ অধিকাৰ দিয়া নাছিল। ৰাজা ৰামমোহন ৰায়ে এনেধৰণৰ বৈষম্যমূলক বিচাৰ ব্যৱস্থাৰ আসোঁৱাহসমূহ যুক্তিৰে দাঙি ধৰিছিল আৰু সকলোৰে বাবে সম অধিকাৰৰ দাবী উত্থাপন কৰিছিল। মানুহৰ সমমৰ্য্যাদা আৰু সমঅধিকাৰৰ সমৰ্থনত ৰাজা ৰামমোহন ৰায়ৰ যুক্তিপূৰ্ণ চিন্তাধাৰা আৰু প্ৰচেষ্টাক ভাৰতবৰ্ষত মানৱ অধিকাৰ প্ৰতিষ্ঠাৰ প্ৰথমটো সংগঠিত পদক্ষেপ বুলি বিবেচনা কৰিব পাৰি। ১৮২৮ চনত ৰাজা ৰামমোহন ৰায়ে সতী দাহ প্ৰথা বন্ধৰ দাবীত আন্দোলন আৰম্ভ কৰিছিল। ১৮২৯ চনত সতীদাহ প্ৰথা ভাৰতবৰ্ষত নিষিদ্ধ কৰা হৈছিল। ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰেও মহিলাৰ বিপক্ষে সংঘটিত হৈ থকা সামাজিক হিংসাৰ অৱসানৰ সপক্ষে শক্তিশালী মতামত দাঙি ধৰিছিল। তেখেতৰ নেৰানেপৰা প্ৰচেষ্টাত ১৮৫৬ চনত বিধৱা বিৱাহক আইনসংগত বুলি ঘোষণা কৰা হয়। ভাৰতবৰ্ষত নাৰী শিক্ষা প্ৰৱৰ্তনৰ ক্ষেত্ৰতো তেখেতে অগ্ৰণী ভূমিকা পালন কৰিছিল। তেখেতে নাৰী শিক্ষা প্ৰসাৰৰ উদ্দেশ্যে বহুতো সংখ্যক শিক্ষানুষ্ঠান স্থাপনত আগভাগ লৈছিল। মহাদেৱ গোবিন্দ ৰানাডেৰ নেতৃত্বত ১৮৮৭ চনত ভাৰতবৰ্ষত ভাৰতীয় সামাজিক সন্মিলন(Indian Social Conference) গঠিত হৈছিল। ৰানাডেৰ গতিশীল নেতৃত্বত ভাৰতীয় সামাজিক সন্মিলনে ভাৰতবৰ্ষৰ চুকে-কোণে সংঘটিত হৈ থকা মানৱ অধিকাৰ উলংঘনৰ বিভিন্ন ঘটনাৰ বিৰুদ্ধে এক শক্তিশালী জনমত গঢ়ি তোলাৰ প্ৰয়াস কৰা হৈছিল। তেখেতে জাতি প্ৰথা নিৰ্মূল কৰা, বিবাহৰ বয়স বৃদ্ধি কৰা, বহু-বিবাহ প্ৰচলন বন্ধ কৰা, বিধৱা বিবাহক উৎসাহিত কৰা আৰু নাৰী শিক্ষাৰ সপক্ষে দাবী উত্থাপন কৰিছিল।

১৯ শ শতিকাৰ মাজভাগত সমাজ সংস্কাৰক জ্যোতিবা ফুলে ভাৰতবৰ্ষত প্ৰাচীন কালৰে পৰা নিপীড়িত হৈ থকা মানুহৰ মুক্তিৰ ধ্বজাবাহক আছিল। তেখেতে ভাৰতবৰ্ষৰ হিন্দু সমাজত প্ৰচলিত জাতিভেদ প্ৰথাৰ বিৰোধিতা কৰিছিল। তেখেতে মহিলা আৰু সমাজৰ নিম্ন বৰ্গৰ মানুহৰ শিক্ষাৰ অধিকাৰৰ সপক্ষে যুক্তিপূৰ্ণ দাবী উত্থাপন কৰিছিল। তেখেতে বিশ্বাস কৰিছিল যে সমতা, ন্যায় আৰু ভাতৃত্ববোধৰ নীতিৰ ভিত্তিতহে এখন সম অধিকাৰপূৰ্ণ মানৱ সমাজ গঢ় দিব পাৰি। জাতিভেদ প্ৰথাৰ বৈষম্যমূলক নীতিৰ ভিত্তিত সমাজত মানুহক শোষণ আৰু বঞ্চিত কৰা হয়। এনেধৰণৰ অমানৱীয় প্ৰথাৰ বিৰুদ্ধে তেখেতে প্ৰতিবাদ কৰি সেইবোৰ আঁতৰ কৰাৰ চেষ্টা কৰিছিল। তেখেতে জাতিভেদ প্ৰথা আৰু ধৰ্মৰ ন্যস্ত স্বাৰ্থ জড়িত নীতিসমূহৰ দ্বাৰা বঞ্চিত আৰু নিপীড়িত শ্ৰেণীৰ মানুহৰ মুক্তিৰ বাবে প্ৰবল যুক্তি আগবঢ়াইছিল। এইদৰে তেখেতে ভাৰতবৰ্ষৰ পিছপৰা শ্ৰেণীৰ মুক্তি আৰু অধিকাৰ প্ৰতিষ্ঠাৰ হকে এক আন্দোলনৰ ভেঁটি গঢ়ি তুলিছিল।

Scanned with CamScanner

১৮৮৫ চনত গঠন হোৱা ভাৰতীয় জাতীয় কংগ্ৰেছে ইংৰাজৰ দৰে ভাৰতীয় মানুহৰ বাবে কিছুমান অধিকাৰৰ দাবী তুলিছিল। ইংৰাজ উপনিবেশিক শাসকসকলে ভাৰতীয় মানুহৰ প্ৰতি কৰা বৈষম্যমূলক আচৰণৰ বিৰোধিতা কৰি সেইবোৰ অৱসানৰ দাবী উত্থাপন কৰিছিল। ১৮৯৫ চনত লোকমান্য বাল গংগাধৰ তিলকৰ উদ্যোগত প্ৰস্তুত কৰা স্বৰাজ ঘোষণা পত্ৰত ভাৰতীয় মানুহৰ বাবে কিছুমান অধিকাৰ দাবী অন্তৰ্ভুক্ত কৰা হৈছিল। এই অধিকাৰবোৰৰ ভিতৰত বাক স্বাধীনতা, মত প্ৰকাশৰ স্বাধীনতা, সম্পত্তিৰ অধিকাৰ। অসন্তোষ আৰু অভাৱ-অভিযোগ নিবাময়ৰ কাৰণে আবেদন কৰাৰ অধিকাৰ আৰু আইনৰ চকুত সমতাৰ অধিকাৰ অন্যতম আছিল। ভাৰতীয় জাতীয় কংগ্ৰেছৰ ১৯১৮ চনত বোম্বাইত অনুষ্ঠিত অধিবেশনত ইংৰাজসকলৰ দৰে ভাৰতীয় লোকসকলোকো কিছুমান প্ৰাথমিক অধিকাৰ দিয়াৰ দাবী উত্থাপন কৰা হৈছিল। সেইবোৰ হ'ল- আইনৰ চকুত সমান অধিকাৰ, জীৱন আৰু সম্পত্তিৰ অধিকাৰ, বাক স্বাধীনতা আৰু মত প্ৰকাশৰ স্বাধীনতা, সংস্থা গঠন কৰাৰ স্বাধীনতা ইত্যাদি।

১৯২১ চনত স্বাধীন আয়াৰলেণ্ডৰ সংবিধানত কিছুমান মৌলিক অধিকাৰ অন্তৰ্ভুক্ত কৰা হৈছিল। ১৯২৫ চনত ভাৰতীয় জাতীয় কংগ্ৰেছৰ এগৰাকী নেত্ৰী আইৰিছ মহিলা এনি বেচান্টে আয়াৰলেণ্ডৰ সংবিধানৰ আৰ্হিত ভাৰতীয়সকলৰ বাবে অধিকাৰ প্ৰদানৰ দাবী উত্থাপন কৰি এখন বিধেয়ক প্ৰস্তুত কৰি উলিয়াইছিল। এই বিধেয়কখনক Commonwealth of India Bill বুলি জনা যায়। এই বিধেয়কখনত বিভিন্ন অধিকাৰ অন্তৰ্ভুক্ত কৰা হৈছিল। সেইবোৰ হ'ল—

(ক) ব্যক্তি স্বাধীনতা, সম্পত্তি আৰু বাসস্থানৰ স্বাধীনতা

(খ) বিবেকৰ স্বাধীনতা, ধৰ্ম গ্ৰহণ আৰু প্ৰচাৰৰ স্বাধীনতা

(গ) মতামত প্ৰকাশৰ স্বাধীনতা, শান্তিপূৰ্ণভাৱে সমবেত হোৱাৰ স্বাধীনতা আৰু সংস্থা গঠনৰ স্বাধীনতা।

(ঘ) প্ৰাথমিক শিক্ষা লাভৰ অধিকাৰ

(ঙ) আইনৰ চকুত সমতাৰ অধিকাৰ

(চ) ৰাজহুৱা স্থানত প্ৰৱেশ আৰু ব্যৱহাৰৰ অধিকাৰ

১৯২৭ চনত ভাৰতীয় জাতীয় কংগ্ৰেছে মৌলিক অধিকাৰ স্বাধীন ভাৰতৰ সংবিধানৰ ভিত্তি হ'ব লাগে বুলি ঘোষণা কৰিছিল। এই ঘোষণাৰ আধাৰতে মতিলাল নেহেৰুৰ নেতৃত্বত এখন কমিটি গঠন কৰা হৈছিল। এই কমিটিয়ে ১৯২৮ চনত এখন প্ৰতিবেদন দাখিল কৰিছিল যাক নেহেৰু প্ৰতিবেদন বুলি জনা যায়। নেহেৰু প্ৰতিবেদনত ভাৰতীয় নাগৰিকসকলৰ বাবে মৌলিক অধিকাৰ প্ৰদান আৰু সেইবোৰ ৰক্ষণাবেক্ষণৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। নেহেৰু প্ৰতিবেদনত অৰ্ন্তভুক্ত কৰা অধিকাৰসমূহ হ'ল—

Scanned with CamScanner

(১) ব্যক্তি স্বাধীনতা, সম্পত্তি আৰু বাসস্থানৰ স্বাধীনতা।

(২) বিবেকৰ স্বাধীনতা, ধৰ্ম গ্ৰহণ আৰু প্ৰচাৰৰ স্বাধীনতা।

(৩) মত প্ৰকাশৰ স্বাধীনতা, শান্তিপূৰ্ণ আৰু অহিংসভাৱে সমবেত হোৱাৰ স্বাধীনতা আৰু সংস্থা গঠনৰ স্বাধীনতা।

(৪) মুক্ত আৰু সাৰ্বজনীন প্ৰাথমিক শিক্ষাৰ অধিকাৰ।

(৫) আইনৰ চকুত সমতাৰ অধিকাৰ।

(৬) ৰাজহুৱা পথ, কুঁৱা, পুখুৰী, আৰু অন্যান্য ৰাজহুৱা স্থান ব্যৱহাৰৰ স্বাধীনতা।

(৭) পুৰুষ আৰু মহিলাৰ মাজত অধিকাৰৰ সমতা।

(৮) বন্দী প্ৰত্যক্ষীকৰণ লেখৰ ক্ষেত্ৰত সম অধিকাৰ।

১৯৩৯ চনত কৰাচীত অনুষ্ঠিত ভাৰতীয় জাতীয় কংগ্ৰেছৰ অধিবেশনত গৃহীত এটা প্ৰস্তাৱত এইদৰে ঘোষণা কৰা হৈছিল—

"সৰ্বসাধাৰনৰ ওপৰত শোষণৰ অন্ত পেলাবৰ কাৰণে আমি দাবী কৰা ৰাজনৈতিক স্বাধীনতাত শত-সহস্ৰ ক্ষুধাতুৰ জনসাধাৰণৰ প্ৰকৃত অৰ্থনৈতিক স্বাধীনতাও অন্তৰ্ভুক্ত হ'ব লাগিবই"।

এই অধিবেশনতে ভাৰতীয় জাতীয় কংগ্ৰেছে স্বতন্ত্ৰ ভাৰতৰ সংবিধানত জনসাধাৰণৰ বাবে মৌলিক অধিকাৰ প্ৰদানৰ ব্যৱস্থা থাকিব লাগিব বুলি দৃঢ় মত পোষণ কৰিছিল। এই মৌলিক অধিকাৰবোৰ হ'ল-

(ক) সংঘবদ্ধ আৰু সমবেত হোৱাৰ স্বাধীনতা।

(খ) বাক স্বাধীনতা আৰু বাতৰি কাকতৰ স্বাধীনতা।

(গ) বিবেকৰ স্বাধীনতা, ধৰ্ম গ্ৰহণ আৰু প্ৰচাৰৰ স্বাধীনতা।

(ঘ) সংখ্যালঘুসকলৰ ধৰ্ম, সংস্কৃতি আৰু লিপি সংৰক্ষণৰ স্বাধীনতা।

(ঙ) লিংগ ভিত্তিক বৈষম্য নোহোৱাকৈ সকলো নাগৰিকৰে সমান অধিকাৰৰ স্বাধীনতা।

(চ) ৰাজহুৱা বাট-পথ, কুঁৱা, বিদ্যালয়, আৰু আন আন ৰাজহুৱা স্থানত সকলো নাগৰিকৰে সমান অধিকাৰ।

(ছ) বিনামূলীয়া প্ৰাথমিক শিক্ষাৰ অধিকাৰ।

(জ) প্ৰাপ্ত বয়স্কৰ ভোট দিয়াৰ অধিকাৰ।

(ঝ) সম্পত্তিৰ অধিকাৰ।

(ঞ) মহিলা কৰ্মীসকলৰ সুৰক্ষা।

ভাৰতীয় জনসাধাৰনৰ মৌলিক অধিকাৰৰ প্ৰয়োজনীয়তা আৰু সেইবোৰ ৰক্ষনাবেক্ষনৰ উপায় সম্বন্ধে অধ্যয়ন কৰিবলৈ ১৯৪৫ চনত এখন সৰ্বদলীয় সন্মিলন

Scanned with CamScanner

অনুষ্ঠিত হৈছিল। এই সন্মিলনৰ অধ্যক্ষ আছিল তেজ বাহাদুৰ চাপ্ৰু। চাপ্ৰু কমিটিয়ে স্বাধীন ভাৰতৰ প্ৰস্তাৱিত সংবিধানত মৌলিক অধিকাৰ অন্তৰ্ভুক্ত কৰিবলৈ পৰামৰ্শ প্ৰদান কৰিছিল। এই কমিটিয়ে সংখ্যালঘুসকলৰ অধিকাৰ সুৰক্ষাৰ লগতে চৰকাৰ, বিধানমণ্ডল আৰু ন্যায়পালিকৰ কাৰ্য্য ক্ষমতা নিয়ন্ত্ৰণৰ বাবে মৌলিক অধিকাৰ অতি আৱশ্যকীয় বুলি মন্তব্য আগবঢ়াইছিল।

১৯৪৬ চনত কেবিনেট মিছনৰ প্ৰস্তাৱ অনুসৰি স্বাধীন ভাৰতবৰ্ষৰ বাবে এখন সংবিধান ৰচনা কৰিবলৈ সংবিধান সভা গঠিত হয়। সংবিধান সভাৰ প্ৰথমখন অধিবেশনত উপস্থিত হোৱা সকলো সদস্যই সংবিধানত মৌলিক অধিকাৰ সন্নিবিষ্ট কৰাৰ সপক্ষে যুক্তি দাঙি ধৰিছিল। ১৯৪৭ চনৰ ২২ জানুৱাৰীত সংবিধান সভাই সৰ্বসন্মতিক্ৰমে গৃহীত এটা প্ৰস্তাৱত স্বাধীন ভাৰতৰ সংবিধানত অন্তৰ্ভুক্ত কৰিব লগা মৌলিক অধিকাৰৰ বিষয়ে এইদৰে উল্লেখ আছে—

"য'ত ভাৰতৰ সকলো লোকৰ বাবেই সামাজিক, আৰ্থিক আৰু ৰাজনৈতিক ন্যায় মৰ্য্যাদাৰ, সুযোগ-সুবিধাৰ আৰু আইনৰ চকুত সমতা, চিন্তা, প্ৰকাশ, বিশ্বাস, আস্থা, উপাসনা, সংঘবদ্ধ হোৱা কাৰ্য্যৰ স্বতন্ত্ৰতা থাকিব যদিহে অৱশ্যে সেয়া আইন আৰু ৰাজহুৱা নৈতিকতাৰ পৰিপন্থী নহয়; আৰু

য'ত সংখ্যালঘু, পিছপৰা আৰু জনজাতীয় অঞ্চলবোৰ আৰু দলিত তথা অন্য পিছপৰা শ্ৰেণীবোৰৰ বাবে পৰ্য্যাপ্ত সুৰক্ষা থাকিব।"

এই প্ৰস্তাৱটোক ভাৰতীয় সংবিধানৰ তৃতীয় অধ্যায়ত সন্নিবিষ্ট থকা মৌলিক অধিকাৰৰ বুনিয়াদ বুলি বিবেচনা কৰা হয়। অৰ্থাৎ স্বাধীন ভাৰতবৰ্ষত মৌলিক অধিকাৰসমূহকে মানৱ অধিকাৰৰূপে সাংবিধানিকভাৱে পোন প্ৰথমবাৰৰ বাবে স্বীকৃতি প্ৰদান কৰা হৈছে। সংবিধান সভাই ১৯৪৭ চনৰ ২৮ জানুৱাৰী তাৰিখে মৌলিক অধিকাৰৰ বিষয়ে প্ৰতিবেদন দাখিল কৰিবলৈ এখন উপদেষ্টা সমিতি নিৰ্বাচন কৰিছিল। এই উপদেষ্টা কমিটিয়ে ১৯৪৭ চনৰ ২৭ ফেব্ৰুৱাৰীত অনুষ্ঠিত প্ৰথমখন বৈঠকত এখন মৌলিক অধিকাৰ উপ-সমিতি গঠন কৰিছিল। এই উপ-সমিতিখনে ভাৰতীয় সংবিধানত মৌলিক অধিকাৰসমূহ নিৰ্দ্ধাৰণ কৰাৰ বাবে বিস্তৃত অধ্যয়ন কৰিছিল। মৌলিক অধিকাৰ উপ-সমিতিয়ে অধিকাৰসমূহ আইনৰ দ্বাৰা নিশ্চয়তা প্ৰদান কৰিব পৰা বিধৰ হ'ব লাগে বুলি মত দিছিল। এই মতৰ ওপৰত ভিত্তি কৰি ভাৰতীয় সংবিধানৰ তৃতীয় অধ্যায়ত বাদযোগ্য মৌলিক অধিকাৰসমূহ সন্নিবিষ্ট কৰা হৈছিল। তদুপৰি সংবিধানৰ চতুৰ্থ অধ্যায়ত সন্নিবিষ্ট নিৰ্দেশাত্মক নীতিসমূহৰ জৰিয়তে ভাৰতীয় নাগৰিককৰ কিছুমান সামাজিক আৰু অৰ্থনৈতিক অধিকাৰ প্ৰদান কৰা হৈছে যিবোৰ বাদযোগ্য নহয়।

Scanned with CamScanner

## মানৱ অধিকাৰ আৰু ভাৰতীয় সংবিধান ঃ (Human Rights and the Indian Constitution)

মানৱ অধিকাৰৰ ধাৰণা তুলনামূলকভাৱে নতুন যদিও ভাৰতীয় সমাজ ব্যৱস্থাত ই পূৰ্বৰে পৰা চলি অহা এক প্ৰাচীন অসংগঠিত ধাৰণা। উদাৰনৈতিকতাত বিশ্বাসী ভাৰতীয় সমাজে মানৱ সেৱামূলক কাৰ্যক প্ৰাধান্য দি অহাৰ অলেখ উদাহৰণ ভাৰতৰ বুৰঞ্জীৰ পাতে পাতে পোৱা যায়।

প্ৰাচীন কালৰপৰাই ভাৰতবৰ্ষত মানুহৰ মৰ্যাদা আৰু অধিকাৰৰ ওপৰত ধৰ্মগ্ৰন্থ আৰু ধৰ্মমতসমূহে যথেষ্ট গুৰুত্ব দি আহিছে। প্ৰাচীন ভাৰতৰ ধৰ্ম প্ৰচাৰকসকলৰ ধৰ্মমতৰ প্ৰথম আৰু প্ৰধান উদ্দেশ্যই আছিল মানৱ কল্যাণ আৰু মানুহৰ নৈতিকতা সুদৃঢ় কৰা।

ভাৰতীয় সংবিধান মানুহৰ কেতবোৰ মৌলিক অধিকাৰ সুনিশ্চিত কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ। ৰাষ্ট্ৰসংঘৰ সাংবিধানিক আৰু সাৰ্বভৌম পৰিৱেশত সুৰক্ষাৰ প্ৰতিশ্ৰুতি দিছে ভাৰতীয় সংবিধানে। এই ফালৰপৰা ৰাষ্ট্ৰসংঘৰ সাৰ্বজনীন মানৱ অধিকাৰ ঘোষণা আৰু ভাৰতৰ সংবিধান আৰু এই সংবিধান আধাৰিত আইনবোৰ পৰস্পৰ পৰিপূৰক। তথাপি পৰিৱৰ্তিত পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ভাৰতে ১৯৯৩ চনত গ্ৰহণ কৰে এখন সুকীয়া আইন। এই আইনখনক মানৱ অধিকাৰ সুৰক্ষা আইন ১৯৯৩ নামেৰে অভিহিত কৰি গ্ৰহণ কৰা হয়। এই আইনৰ উদ্দেশ্য হ'ল চৰকাৰ, জনসেৱা বিষয়া, সৈন্য বাহিনী আৰু অসামাজিক শক্তি বা ব্যক্তিৰ দ্বাৰা হ'ব পৰা মানৱ অধিকাৰ হৰণত বাধা দিয়া আৰু আক্ৰান্তক সুৰক্ষা আৰু যথোচিত ক্ষতিপূৰণ দিয়া।

প্ৰাচীন ভাৰতীয় সমাজ ব্যৱস্থাত সহজ-সৰল ভাৰতীয়সকলে সকলো মানৱ আত্মাক ভগৱান সদৃশ জ্ঞান কৰিছিল। মানৱ সেৱাই শ্ৰেষ্ঠ ধৰ্ম বুলি বিশ্বাস কৰাৰ পৰাই অনুমান কৰিব পাৰি মানৱ অধিকাৰৰ প্ৰতি ভাৰতীয় পৰম্পৰাগত ধাৰণা কেনে আছিল। বৌদ্ধ ধৰ্মৰ মূল নীতি হৈছে 'অহিংসা পৰম ধৰ্ম'। এই অহিংসা কেৱল মানুহৰ প্ৰতিয়েই নহয়, জীৱ-জন্তু, পশু-পক্ষী সকলোকে সামৰি বুজোৱা হৈছে। কৌটিল্যৰ 'অৰ্থশাস্ত্ৰ'ত ৰজাই প্ৰজাৰ প্ৰতি কৰণীয় কৰ্তব্যসমূহৰ বিষয়ে বিশদ বিৱৰণ দাঙি ধৰিছে।

পৰৱৰ্তী সময়ত ব্ৰিটিছ শাসনৰ যুগতো ভাৰতীয়সকলে আত্মনিয়ন্ত্ৰণ আৰু দেশীয় চৰকাৰৰ দ্বাৰা মানৱ অধিকাৰ ৰক্ষাৰ বাবে যুঁজ দিছিল। ব্ৰিটিছৰ শাসন-শোষণৰ বিৰুদ্ধে ভাৰতীয়সকলে তীব্ৰ আন্দোলন কৰিছিল। ১৮৯৫ চনত ভাৰতৰ

Scanned with CamScanner

সংবিধানৰ বিধেয়ক (Constitution of India Bill) এখন প্ৰণয়ন কৰি সকলো নাগৰিকৰ মৌলিক অধিকাৰসমূহ সুৰক্ষাৰ বাবে দাবী জনাইছিল। ১৯২৮ চনত নিয়োজিত নেহৰু সমিতিয়ে ঘোষণা কৰিছিল যে ভাৰতীয়সকলৰ মূল দাবী হৈছে মৌলিক মানৱ অধিকাৰ নিশ্চিত কৰা। সমিতিখনে ব্যক্তিগত স্বাধীনতাৰ অধিকাৰ, বিবেকৰ স্বাধীনতা, ধৰ্মচৰ্চাৰ অধিকাৰ, মতামত প্ৰকাশৰ অধিকাৰ আদিৰ বাবে অনুমোদন জনাইছিল। উল্লেখযোগ্য যে ছাইমন আয়োগৰ প্ৰতিবেদনত মানৱ অধিকাৰ বিশেষকৈ ভাৰতীয়সকলৰ মৌলিক অধিকাৰসমূহ ৰক্ষণাবেক্ষণৰ কোনো পদক্ষেপ দেখা নগ'ল। ব্ৰিটিছৰ শাসন-শোষণৰ শেষ পৰ্যায়ত ১৯৪৬ চনত কেবিনেট মিছনে সংবিধান সভা গঠন আৰু মৌলিক অধিকাৰসমূহ ৰক্ষাৰ্থে দুটা দাবী মানি লৈছিল আৰু 'নাগৰিকৰ অধিকাৰ'ৰ বাবে এখন 'উপদেষ্টা সমিতি' (Advisory Committee) নিযুক্তি দিবলৈ অনুমোদন জনাইছিল আৰু ১৯৪৭ চনৰ ২৪ জানুৱাৰী তাৰিখে মৌলিক অধিকাৰৰ বিষয়ে প্ৰতিবেদন দাখিল কৰিবলৈ উপদেষ্টা সমিতিখন নিৰ্বাচন কৰিছিল।

## স্বাধীনোত্তৰ যুগৰ ভাৰতত মানৱ অধিকাৰ ঃ (Human Rights in post-independent period)

ভাৰতীয় সংবিধান প্ৰণয়ন কৰি থকা সময়তেই ১৯৪৮ চনৰ ১০ ডিচেম্বৰত ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই সাৰ্বজনীন মানৱ অধিকাৰৰ ঘোষণা-পত্ৰ গ্ৰহণ কৰিছিল। সংবিধান প্ৰণয়নৰ সময়ছোৱাত সংবিধান প্ৰণয়ন সমিতিয়ে (Constituent Assembly) পৃথিৱীৰ প্ৰায়বিলাক ৰাষ্ট্ৰৰেই সংবিধানসমূহ অধ্যয়ন কৰি ইবিলাকক আধাৰ হিচাপে লৈ আগবাঢ়িছিল।

১৯৪৯ চনৰ নৱেম্বৰ মাহৰ ২৬ তাৰিখে ভাৰতীয় সংবিধানখন গৃহীত কৰা হয়। ভাৰতীয় সংবিধানৰ ৩৯৪ নং অনুচ্ছেদৰ মতে অনু ঃ ৫, ৬, ৭, ৮, ৯, ৬০, ৩২৪, ৩৬৬, ৩৬৭, ৩৮০, ৩৮৮, ৩৯২ আৰু ৩৯৩ কাৰ্যকৰী হৈছিল ১৯৫০ চনৰ ২৬ জানুৱাৰীৰপৰা, য'ত মানৱ অধিকাৰ সম্পৰ্কীয় গভীৰ অনুভৱ খচিত ধাৰণা দেখিবলৈ পোৱা যায়। অন্যহাতে সংবিধান প্ৰণয়নৰ প্ৰাক মুহূৰ্তত ১৯৪৫ চনৰ ২৫ জুন তাৰিখে চানফ্ৰান্সিস্কো চহৰত ৰাষ্ট্ৰসংঘৰ চনদ গ্ৰহণ কৰা হৈছিল আৰু ১৯৪৫ চনৰ ২৪ অক্টোবৰৰ পৰা ভাৰতেও চহী কৰা চনদখন কাৰ্যকৰী হৈছিল।

50378

Scanned with CamScanner

(Preamble of the U.N. Charter reaffirms "faith in fundamental human rights, in the dignity and worth of the human person, in the equal rights of men and women............")

ৰাষ্ট্ৰসংঘৰ চনদৰ ১ নং অনুচ্ছেদত উল্লিখিত 'Promoting and encouraging respect for human rights and for fundamental freedoms for all without distinction as to race, sex, language or religion' বোলা কথাযাৰে ভাৰতীয় সংবিধানখনত মানৱ অধিকাৰৰ দিশসমূহৰ ওপৰত গুৰুত্ব দিবলৈ অনুপ্ৰাণিত কৰিছিল।

ভাৰতীয় সংবিধানে দুই ধৰণৰ মানৱ অধিকাৰক স্বীকৃতি প্ৰদান কৰিছে—

(ক) অসামৰিক আৰু ৰাজনৈতিক অধিকাৰ আৰু

(খ) সামাজিক আৰু অৰ্থনৈতিক অধিকাৰ।

ন্যায়ালয়ৰপৰা স্বীকৃত এই অধিকাৰ দুটাই নাগৰিকৰ সকলো অধিকাৰ সামৰি লৈছে। আনহাতে মৌলিক অধিকাৰ, মৌলিক কৰ্তব্য আৰু ৰাষ্ট্ৰৰ নিৰ্দেশাত্মক নীতিৰ অন্তৰ্ভুক্তিয়ে ভাৰতীয় সংবিধানখনক এখন মানৱীয় দলিলত পৰিণত কৰিলে।

## ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনাত মানৱ অধিকাৰৰ প্ৰতিফলন ঃ (Reflection of Human Rights in the Preamble of the Indian Constitution)

ভাৰতৰ সংবিধানৰ প্ৰস্তাৱনাত উল্লিখিত ধাৰণাই সংবিধানখনক এখন মানৱ অধিকাৰৰ দলিল হিচাপে প্ৰতিপন্ন কৰিছে। ১৯৬৬ চনৰ মানৱ অধিকাৰ সম্পৰ্কীয় আন্তঃৰাষ্ট্ৰীয় আচাৰবিধি প্ৰস্তুতৰ বহু পূৰ্বেই ভাৰতীয় সংবিধানে সকলো জনসাধাৰণৰ প্ৰতি ন্যায়, সমতা, ভ্ৰাতৃত্ববোধ, সমাজবাদী, ধৰ্মনিৰপেক্ষবাদী চৰিত্ৰ সন্নিৱিষ্ট কৰি মানৱ অধিকাৰৰ সাৰ্বজনীনতাক স্বীকৃতি প্ৰদান কৰিছে। ভাৰতীয় সংবিধানত 'আমি ভাৰতীয়ই' ('We, the people of India') কথাযাৰে সকলোকে সামৰি লোৱাৰ লগতে জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে সকলো লোকেই গণতান্ত্ৰিক অধিকাৰ ভোগ কৰিবলৈ পাব। 'গণৰাজ্য' (Republic) শব্দই একনায়কত্ববাদী শাসনৰ পৰিৱৰ্তে গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিব পাৰিব বুলি উল্লেখ আছে।

Scanned with CamScanner

মূলতঃ সংসদীয় গণতন্ত্ৰৰ পোষকতা কৰা ভাৰতীয় সংবিধানে প্ৰয়োজনত জনসাধাৰণৰ ভোটৰ দ্বাৰা নিৰ্বাচিত প্ৰতিনিধিৰ আইন সভাই সংবিধানখন সংশোধনৰ পূৰ্ণ অধিকাৰ ৰাখিছে।

## মানৱ অধিকাৰৰ সমৰ্থনত ভাৰতীয় সংবিধানৰ মৌলিক অধিকাৰঃ (Fundamental Rights in the Indian Constitution Regarding Human Rights)

ভাৰতীয় সংবিধানৰ তৃতীয় অধ্যায়ৰ ১২ নং অনুচ্ছেদৰপৰা ৩৫ নং অনুচ্ছেদলৈকে নাগৰিকৰ মৌলিক অধিকাৰসমূহৰ বিষয়ে উল্লেখ আছে।

মৌলিক অধিকাৰসমূহ হ'ল—

(১) সমতাৰ অধিকাৰ (অনুচ্ছেদ ১৪ৰপৰা ১৮লৈ)।

(২) স্বাধীনতাৰ অধিকাৰ (অনুঃ ১৯ৰপৰা অনুঃ ২২লৈ)।

(৩) শোষণৰ বিৰুদ্ধে অধিকাৰ (অনুঃ ২৩ৰপৰা অনুঃ ২৪লৈ)।

(৪) ধৰ্মৰ স্বাধীনতা অধিকাৰ (অনুঃ ২৫ৰপৰা অনুঃ ২৮লৈ)।

(৫) সাংস্কৃতিক আৰু শৈক্ষিক অধিকাৰ (অনুঃ ২৯ৰপৰা অনুঃ ৩০লৈ)।

(৬) সাংবিধানিক প্ৰতিকাৰৰ অধিকাৰ (অনুঃ ৩২)।

ভাৰতীয় সংবিধানৰ তৃতীয় অধ্যায়ত পৌৰ আৰু ৰাজনৈতিক অধিকাৰসমূহ উল্লেখ থকাৰ বিপৰীতে চতুৰ্থ অধ্যায়ত অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰসমূহৰ উল্লেখ আছে।

ভাৰতীয় সংবিধানত উল্লিখিত মানৱ অধিকাৰসমূহৰ বিশদ বিৱৰণ তলত দিয়া ধৰণে পোৱা যায়—

(১) ব্যক্তিৰ জীৱন, স্বাধীনতা আৰু সুৰক্ষামূলক অধিকাৰ (অনুঃ ২১)।

(২) দাস প্ৰথাৰ অৱসান আৰু দাসজনিত ব্যৱসায় বন্ধ কৰা (অনুঃ ২৩)।

(৩) আইনৰ চকুত সকলো সমান বা সমতাৰ দৃষ্টিভংগী আৰু বৰ্ণ বৈষম্যহীন ব্যৱস্থা (অনুঃ ১৪ আৰু ১৫ (১))।

(৪) ফলপ্ৰসূ প্ৰতিকাৰৰ অধিকাৰ (অনুঃ ৩২)।

(৫) স্বেচ্ছাচাৰীমূলকভাৱে গ্ৰেপ্তাৰ কৰা আৰু প্ৰত্যাৱৰ্তন কৰাৰ বিৰুদ্ধে অধিকাৰ (অনুঃ ২২)।

(৬) Ex-Post facto. আইনৰ বিৰোধিতা কৰাৰ অধিকাৰ (অনুঃ ২০ (১))

Scanned with CamScanner

(৭) মুক্তভাৱে চলা-ফুৰা কৰাৰ অধিকাৰ (অনুঃ ১৯ (১) (ঘ))।

(৮) সম্পত্তিৰ অধিকাৰ আৰু তেনে সম্পত্তিৰ অধিকাৰৰপৰা বঞ্চিত নোহোৱাৰ অধিকাৰ। অনুঃ ১৯ (১) (৮) (ইয়াক সংবিধানৰ ৪৪ নং সংশোধনীৰ যোগে উঠাই দিয়া হয়)।

(৯) চিন্তা কৰা আৰু ধৰ্মীয় ভাবাৱেগ শোষণৰ অধিকাৰ (অনুঃ ২৫ (১))।

(১০) মুক্ত মত প্ৰকাশ আৰু মতামতৰ অধিকাৰ (অনুঃ ১৯ (১) (ক))।

(১১) শান্তিপূৰ্ণভাৱে সংগঠিত হোৱা আৰু সংগঠন কৰাৰ অধিকাৰ (অনুঃ ১৯ (১) (খ))।

(১২) ৰাজহুৱা সেৱামূলক কাৰ্যৰ বাবে সমতাৰে বাছনি হোৱাৰ অধিকাৰ (অনুঃ ১৬ (১))।

(১৩) সামাজিক সুৰক্ষা লাভৰ অধিকাৰ (অনুঃ ২৯ (১))।

(১৪) বাণিজ্য সংস্থা গঠন আৰু তেনে সংস্থাত যোগদান দিয়াৰ অধিকাৰ (অনুঃ ১৯ (১) (গ))।

সংবিধানৰ তৃতীয় অধ্যায়ত উল্লেখ থকা মৌলিক অধিকাৰসমূহে মানৱ অধিকাৰ ৰক্ষণাবেক্ষণকেই গুৰুত্ব দিয়া দেখা যায়। এই অধিকাৰসমূহত পূৰামাত্ৰাই ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰ ঘোষণা-পত্ৰৰ প্ৰভাৱ বিদ্যমান। অৱশ্যে বহু ক্ষেত্ৰত সাৰ্বজনীন ঘোষণা-পত্ৰত উল্লিখিত মানৱ অধিকাৰৰ ধাৰা কিছুমান স্পষ্টভাৱে ভাৰতীয় সংবিধানত উল্লেখ নাই যদিও উপস্থাপিত মৌলিক অধিকাৰবোৰৰ মাজতেই মানৱ অধিকাৰৰ দিশসমূহ সংক্ষিপ্ত ৰূপত সোমাই থকা বুলি ক'ব পাৰি।

ভাৰতীয় সংবিধানৰ ২১ নং অনুচ্ছেদত বহলভাৱে বৰ্ণিত ব্যক্তিৰ ব্যক্তিগত স্বাধীনতা সম্পৰ্কীয় অধিকাৰসমূহ এনে ধৰণৰ—

(১) বিদেশলৈ বা ৰাষ্ট্ৰৰ বাহিৰলৈ যোৱাৰ অধিকাৰ।

(২) গোপনীয়তা ৰক্ষা কৰাৰ অধিকাৰ।

(৩) অপ্ৰয়োজনীয়ভাৱে বিনা বিচাৰে অকলশৰে আটক কৰি ৰখাৰ বিৰুদ্ধাচৰণৰ অধিকাৰ (Solitary Confinement)।

(৪) লোৰ শিকলি লগোৱাৰ বিৰুদ্ধে অধিকাৰ (Bar Fetters)।

(৫) আইনী সাহায্য পোৱাৰ অধিকাৰ।

(৬) খৰতকীয়া বিচাৰ পোৱাৰ অধিকাৰ।

(৭) হাতকেৰেয়া লগোৱাৰ বিৰুদ্ধে অধিকাৰ (Right against handi cuffing)।

Scanned with CamScanner

(৮) আদালতৰ হুকুম জাৰি কৰাত পলম হোৱাৰ বিৰুদ্ধাচৰণ কৰাৰ অধিকাৰ।

(৯) বন্দিত্ব অৱস্থাত কৰা অত্যাচাৰৰ বিৰুদ্ধাচৰণ কৰাৰ অধিকাৰ (Custodial violence)।

(১০) ৰাজহুৱাভাৱে ফাঁচি দিয়াৰ বিৰুদ্ধাচৰণ কৰাৰ অধিকাৰ।

(১১) স্বাস্থ্যৰ যতন লোৱা আৰু চিকিৎসকৰ সাহায্য পোৱাৰ অধিকাৰ।

(১২) যিকোনো স্থানত আশ্ৰয় গ্ৰহণ কৰাৰ অধিকাৰ।

ভাৰতীয় সংবিধানৰ অনুচ্ছেদ নং ২১ৰপৰা উদ্ভৱ হোৱা আন কিছুমান অধিকাৰ হ'ল—

(ক) জনা বা জ্ঞাত হোৱাৰ অধিকাৰ।

(খ) ক্ষতিপূৰণ পোৱাৰ অধিকাৰ।

(গ) বন্দিত্ব অৱস্থাৰ শ্ৰমিকৰ মুক্তি আৰু পুনঃসংস্থাপনৰ অধিকাৰ (Bonded Labour)।

(ঘ) কঠোৰ আৰু অমানৱীয় শাস্তিৰ বিৰুদ্ধাচৰণ কৰাৰ অধিকাৰ।

(ঙ) সুৰক্ষিত গৃহত বসবাস কৰাৰ অধিকাৰ।

তদুপৰি অপহৰণ, ড্ৰাগছৰ ব্যৱসায়, পাৰিপাৰ্শ্বিকতা প্ৰদূষিত কৰা ৰাসায়নিক পদাৰ্থ ব্যৱহাৰ, আণৱিক শক্তিৰ তেজস্ক্ৰিয়তা আদিও মানৱ অধিকাৰ লংঘনৰ কাৰক হ'ব পাৰে আৰু ইবিলাকৰ বিৰুদ্ধাচৰণ কৰাৰ অধিকাৰ।

ভাৰতৰ উচ্চতম ন্যায়ালয়ে ঘোষণা কৰিছে যে ২১ নং অনুচ্ছেদ (ভা.স.) অনুসৰি সুস্থ জীৱন নিৰ্বাহ মানৱ অধিকাৰৰ প্ৰাৰম্ভিক চৰ্ত। তদুপৰি প্ৰদূষণমুক্ত বায়ু আৰু পানী সেৱন কৰিবৰ অধিকাৰো ভাৰতৰ সংবিধানপ্ৰদত্ত মানৱীয় অধিকাৰ। অন্যহাতে নাগৰিকৰ অধিকাৰ সম্পৰ্কত ভাৰতীয় সংবিধানৰ অনুচ্ছেদ নং ১৩ (১)-ত উল্লেখ আছে যে "All laws in force in the territory of India immediately before the commencement of this constitution, in so for as they are inconsistent with Part-III, shall, to the extent of such inconsistency, be void."

ভাৰতীয় সংবিধান অনুসৰি ভাগ কৰা হোৱা ২য়বিধ মানৱ অধিকাৰৰ ধাৰণা অৰ্থাৎ অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰ (Economic, Social and Cultural Rights)-ত উল্লিখিত অধিকাৰসমূহ মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণা-পত্ৰৰ আধাৰতেই গ্ৰহণ কৰা বুলি ক'ব পাৰি।

Scanned with CamScanner

উদাহৰণস্বৰূপে—

(১) কাম কৰাৰ অধিকাৰ, মুক্তভাৱে কৰ্ম সংস্থান বাছি লোৱা (অনুঃ ৪১)।

(২) সমান কামৰ বাবে সমান মজুৰি লাভৰ অধিকাৰ (অনুঃ ৪১ (ঘ))।

(৩) ন্যায়সঙ্গত আৰু বাঞ্ছনীয় বানচ পোৱাৰ অধিকাৰ (অনুঃ ৪৩)।

(৪) অৱসৰ বা ছুটী লোৱা বা জিৰণি লোৱাৰ অধিকাৰ (অনুঃ ৪৩)।

(৫) ব্যক্তি আৰু ব্যক্তিৰ পৰিয়াল সমাজত সন্মানীয়ভাৱে জীৱন যাপনৰ অধিকাৰ (অনুঃ ৩৯ (ক) আৰু ৪৭)।

(৬) বিনামূলীয়া প্ৰাথমিক আৰু মাধ্যমিক শিক্ষা গ্ৰহণৰ অধিকাৰ (অনুঃ ৪১ আৰু অনুঃ ৪৫)।

(৭) প্ৰকৃত সামাজিক স্থিতি লাভ কৰাৰ অধিকাৰ (অনুঃ ৩৮)।

উপৰিউক্ত অধিকাৰসমূহ ভাৰতীয় সংবিধানৰ চতুৰ্থ অধ্যায়ত সন্নিৱিষ্ট কৰা হৈছে। এই আলোচনাৰপৰাই এটা কথা স্পষ্ট হ'ল যে মানৱ অধিকাৰ ৰক্ষাৰ ওপৰত মাত্ৰাধিক গুৰুত্ব দিয়েই ভাৰতীয় সংবিধানখন প্ৰণয়ন কৰা হৈছে। বিশেষকৈ এশ বছৰীয়া ঔপনিৱেশিক শাসন-শোষণৰ কালছোৱাত হোৱা অভিজ্ঞতাই ভাৰতীয় নেতাসকলক শিক্ষা দিছিল যে প্ৰকৃততে মানুহৰ জীৱন-নিৰ্বাহ প্ৰক্ৰিয়া কেনে হোৱা উচিত। কোনবিলাক অধিকাৰ নাপালে প্ৰকৃততে মানুহ বুলি মুকলিকৈ দাবী কৰিব নোৱাৰি বা মুক্ত স্বাধীনতাই মানুহক কিমান অৱসাদ প্ৰদান কৰে আৰু জীৱনৰ মান উন্নত কৰাত কিমানদূৰ সহায় কৰে।

## ভাৰতীয় সংবিধানৰ আধাৰত মানৱ অধিকাৰৰ শ্ৰেণীবিভাগ ঃ (Classification of Human Rights Under Indian Constitution)

ভাৰতীয় সংবিধানে মানৱ অধিকাৰক তলত দিয়া ধৰণে শ্ৰেণীবিভাগ কৰি দেখাইছে—

(১) মৌলিক অধিকাৰ আৰু স্বাধীনতাৰ অধিকাৰ (মৌলিক স্বতন্ত্ৰতা) Fundamental Rights and Rights to Freedom (Fundamental Freedom)।

(২) পৌৰ আৰু ৰাজনৈতিক আৰু অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰ (Civil and Political and Economic, Social and Cultural Rights)।

(৩) সকলোৰে বাবে মানৱ অধিকাৰ আৰু কেৱল নাগৰিকৰ বাবেহে মানৱ

Scanned with CamScanner

অধিকাৰ (Human Rights for all and Human Rights for Citizens only)।

(৪) বিচাৰযোগ্য মানৱ অধিকাৰ আৰু অ-বিচাৰযোগ্য মানৱ অধিকাৰ (Justiciable Human Rights and Non-Justiciable Human Rights)।

(৫) গণনাকৃত মানৱ অধিকাৰ আৰু অগণনাকৃত মানৱ অধিকাৰ (Enumerated Human Rights and Non-enumerated Human Rights)।

**(১) মৌলিক অধিকাৰ আৰু স্বাধীনতাৰ অধিকাৰ (মৌলিক স্বতন্ত্ৰতা) ঃ**

ৰাষ্ট্ৰসংঘৰ চনদৰ অনুচ্ছেদ নং ১ (৩), ১৩ (১) (খ), ৫৫, আৰু ৭৬ (গ)-ত 'মানৱ অধিকাৰ' আৰু 'মৌলিক অধিকাৰ' বুলি উল্লেখ থকা সূত্ৰৰ আঁত ধৰিয়েই আধুনিক মানৱ অধিকাৰৰ মূল ধাৰণাৰ প্ৰসাৰ লাভ কৰা বুলি ক'ব পৰা যায়। সাৰ্বজনীন মানৱ অধিকাৰ ঘোষণা-পত্ৰত মানৱ অধিকাৰ সম্পৰ্কত 'মানৱ অধিকাৰ আৰু মৌলিক অধিকাৰ' বুলিহে উল্লেখ আছে।

অন্যহাতে অনুচ্ছেদ ১, ৩, ৬, ৮, ১০, ১৩, ১৪, ১৫, ১৬, ১৭, ২১, ২২, ২৩, ২৪, ২৬, ২৭ আৰু ২৮-ত আৰু অনুচ্ছেদ নং ১৩, ১৮, ১৯ আৰু ২০-ত 'স্বাধীনতাৰ অধিকাৰ' (Right to Freedom) আৰু 'অধিকাৰ আৰু স্বাধীনতা' (Rights and Freedom) বুলিহে উল্লেখ আছে।

সেইফালৰপৰা চালে দেখা যায় যে মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণা-পত্ৰৰ আঁত ধৰিয়েই ভাৰতীয় সংবিধানত 'স্বাধীনতাৰ অধিকাৰ' ধাৰণাটো মৌলিক অধিকাৰ হিচাপে সংবিধানৰ অনুচ্ছেদ নং ১৯, ২৫, ২৬, ২৭ আৰু ২৮নং-ত 'অধিকাৰ' শব্দৰ দ্বাৰা মৌলিক স্বাধীনতাক বুজোৱা হৈছে।

**(২) পৌৰ আৰু ৰাজনৈতিক অধিকাৰ আৰু অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰ ঃ**

আপাতদৃষ্টিত পৌৰ আৰু ৰাজনৈতিক আৰু সামাজিক, সাংস্কৃতিক অধিকাৰৰ মাজত সামান্য পাৰ্থক্য দেখা যায়।

পৌৰ আৰু ৰাজনৈতিক অধিকাৰক মানুহৰ পৰম্পৰাগত অধিকাৰ হিচাপে বিবেচনা কৰি ৰাষ্ট্ৰৰ অ-হস্তক্ষেপ নীতিৰ আধাৰত Laissez Faire নীতি মানি চলা হয়। এই দুয়োটা পৰম্পৰাগত অধিকাৰ সাব্যস্ত কৰোঁতে ব্যক্তিৰ সম্পূৰ্ণ ন্যায়িক অধিকাৰ থাকে।

আনহাতে সামাজিক, সাংস্কৃতিক আৰু অৰ্থনৈতিক অধিকাৰ সাব্যস্ত কৰোঁতে ব্যক্তিৰ ক্ষেত্ৰত অ-হস্তক্ষেপ নীতি (Non-interference) মানি চলা নহয়।

Scanned with CamScanner

এইকেইটা অধিকাৰ সাব্যস্ত কৰোঁতে ৰাষ্ট্ৰই ব্যক্তিক পূৰ্ণ সুযোগ-সুবিধা দিব লাগিব। সামাজিক অধিকাৰ স্থিতাৱস্থা বাহাল (Laissez Faire) ৰথাৰ সম্পূৰ্ণ বিপৰীত।

ভাৰতীয় সংবিধানৰ তৃতীয় অধ্যায়ত পৌৰ আৰু ৰাজনৈতিক অধিকাৰক মৌলিক অধিকাৰ হিচাপে স্বীকৃতি দিয়া হৈছে। সংবিধানৰ চতুৰ্থ অধ্যায়ত (Part-IV) নিৰ্দেশাত্মক নীতিৰ শিতানত সামাজিক, সাংস্কৃতিক আৰু অৰ্থনৈতিক অধিকাৰসমূহ উল্লেখ আছে।

অৱশ্যে ভাৰতীয় সংবিধানে নাগৰিকৰ মৌলিক অধিকাৰবোৰক অবাধ আৰু সম্পূৰ্ণৰূপে ৰাষ্ট্ৰনীতিৰ উৰ্ধ্বত হিচাপে মানি লোৱা নাই। ৰাষ্ট্ৰত জৰুৰী অৱস্থা ঘোষণা কৰিলে মৌলিক অধিকাৰবোৰ আপোনা-আপুনি নাগৰিকৰ আয়ত্তৰ বাহিৰ হয় আৰু ৰাষ্ট্ৰই ইয়াত সীমাবদ্ধতা আৰোপ কৰে।

**(৩) সকলোৰে বাবে মানৱ অধিকাৰ আৰু কেৱল নাগৰিকৰ বাবেহে অধিকাৰ ঃ**

সাৰ্বজনীন ঘোষণা-পত্ৰৰ দৰে ১৯৫০ চনৰ মানৱ অধিকাৰৰ ৰক্ষা আৰু মৌলিক স্বাধীনতা সুৰক্ষা বিষয়ক ইউৰোপীয় আচাৰবিধি (European Convention for the Protection of Human Rights and Fundamental Freedoms, 1950)-য়ে মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতাৰ মাজত 'প্ৰত্যেকৰ বাবে' আৰু 'ব্যক্তিৰ' বাবে দুটা ভাগত ভাগ কৰিছে।

ভাৰতীয় সংবিধানে মৌলিক অধিকাৰক দুটা শ্ৰেণীত ভাগ কৰিছে। সেই দুটা ভাগ হ'ল—

(ক) মৌলিক অধিকাৰ— কেৱল নাগৰিকৰ বাবে আৰু (খ) মৌলিক অধিকাৰ— ৰাষ্ট্ৰত বসবাসীসকলৰ বাবে (যিসকল ভাৰত ৰাষ্ট্ৰৰ সীমাৰেখাৰ ভিতৰত বসবাস কৰি আছে)।

প্ৰথম শ্ৰেণীৰ মৌলিক অধিকাৰৰ অন্তৰ্ভুক্ত নাগৰিকৰ অধিকাৰসমূহ হ'ল—

(১) ভাৰতীয় সংবিধানৰ ১৫ নং অনুচ্ছেদত উল্লেখ থকা জাতি, ধৰ্ম, বৰ্ণ, লিঙ্গ, জন্মৰ স্থান আদি লৈ বৈষম্য।

(২) নিয়োগ বা মকৰলৰ ক্ষেত্ৰত সকলোৰে সমান সুযোগ-সুবিধা পোৱা বিষয়ত (১৬ নং অনুচ্ছেদ)।

(৩) নাগৰিকৰ অধিকাৰসমূহৰ সুৰক্ষাৰ ক্ষেত্ৰত (১৬ নং অনুচ্ছেদ) উল্লেখ থকা সমূহ অধিকাৰ হ'ল—

Scanned with CamScanner

(ক) মুক্তভাৱে কথা কোৱা আৰু বৰ্ণনাৰ স্বাধীনতা;
(খ) অস্ত্ৰ-শস্ত্ৰবিহীনভাৱে আৰু শান্তিপূৰ্ণভাৱে সংগঠিত হোৱাৰ স্বাধীনতা;
(গ) সংস্থা বা সংগঠন গঠন কৰাৰ স্বাধীনতা;
(ঘ) সমগ্ৰ ভাৰতবৰ্ষতে মুক্তভাৱে ঘুৰা-ফিৰা কৰাৰ স্বাধীনতা;
(ঙ) ভাৰতৰ যিকোনো স্থানতে বসবাস কৰাৰ অধিকাৰ।
(চ) যিকোনো ধৰণৰ ব্যৱসায় বা পেছা গ্ৰহণ কৰাৰ স্বাধীনতা;

(৪) সংখ্যালঘুসকলৰ স্বাৰ্থৰ সুৰক্ষা প্ৰদান কৰা (অনুঃ ২৯)।
আনহাতে দ্বিতীয় শ্ৰেণীৰ মৌলিক অধিকাৰৰ ভিতৰত প্ৰথম শ্ৰেণীত অন্তৰ্ভুক্ত নোহোৱা সকলো অধিকাৰেই পৰে।

(৪) **বিচাৰযোগ্য মৌলিক অধিকাৰ আৰু অ-বিচাৰযোগ্য মৌলিক অধিকাৰ ঃ** ভাৰতীয় সংবিধানে শ্ৰেণীবিভাগ কৰা আন এক শ্ৰেণীৰ মৌলিক অধিকাৰ হৈছে কিছুমান অধিকাৰ আদালতৰ দ্বাৰা বিচাৰযোগ্য আৰু আন কিছুমান বিচাৰযোগ্য নহয়। উদাহৰণস্বৰূপে ভাৰতীয় সংবিধানত উল্লিখিত মৌলিক অধিকাৰসমূহৰ বিচাৰযোগ্যতা থাকিলেও ৰাষ্ট্ৰৰ নিৰ্দেশাত্মক নীতিসমূহ আদালতৰ দ্বাৰা বিচাৰযোগ্য নহয়।

## গণনাকৃত আৰু অগণনাকৃত অধিকাৰ ঃ (Enumerated and Non-Enumerated Rights)

মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণা-পত্ৰ (১৯৪৮ চন)-ত উল্লিখিত মানৱ অধিকাৰসমূহ সাৰ্বজনীন ৰূপত প্ৰতিফলন বা পালন হ'লেও মানুহৰ অধিকাৰসমূহৰ অলক্ষিতে আন কিছুমান অধিকাৰ থাকি যায়। মানুহৰ জীৱন আৰু জীৱিকাৰ সকলো অধিকাৰ অন্তৰ্ভুক্তিকৰণ কৰি ঘোষণা কৰা সাৰ্বজনীন ঘোষণা-পত্ৰত সন্নিৱিষ্ট মানৱ অধিকাৰবোৰৰ উপৰি আন কিছুমান অধিকাৰ ছাঁটোৰ দৰে উদ্ভৱ হয়। এনেবিলাক উদ্ভৱ হোৱা বা নিৰ্গমন (Emanation) হোৱা অধিকাৰৰ ধাৰণাৰপৰাই গণনাকৃত আৰু অগণনাকৃত অধিকাৰ (Enumerated and Non-Enumerated Rights)-ৰ উদ্ভৱ হয়।

মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণা-পত্ৰৰ অন্তৰ্ভুক্ত বা ৰাষ্ট্ৰ বিশেষে প্ৰণয়ন কৰা মানৱ অধিকাৰ বিষয়ক আইন তথা আন্তৰ্জাতিক মানৱ অধিকাৰ সম্পৰ্কীয় কনভেন্সনসমূহৰ (International Human Rights Conventions) দ্বাৰা নিৰ্দিষ্ট

Scanned with CamScanner

কৰি দিয়া অধিকাৰসমূহক গণনাকৃত অধিকাৰ (Enumerated Rights) বুলি কোৱা হয়।

আনহাতে নিৰ্দিষ্ট অধিকাৰসমূহৰ ছাঁতে আন কিছুমান মানৱ অধিকাৰৰ প্ৰসাৰ ঘটে অথচ এনেবোৰ অধিকাৰক সাব্যস্ত কৰিবৰ বাবে উপযুক্ত স্থল (Plateform) বা প্ৰতিষ্ঠান নাই। মানৱ অধিকাৰ ৰক্ষাৰ প্ৰতিষ্ঠান বা আইন-আদালতসমূহৰ পৰিসৰৰ বাহিৰৰ এই অধিকাৰসমূহকেই অগণনাকৃত (Non-Enumerated) অধিকাৰ হিচাপে গণ্য কৰা হয়।

ভাৰতীয় সংবিধানৰ ২১ নং অনুচ্ছেদত ভালেমান অগণনাকৃত অধিকাৰ সন্নিৱিষ্ট হৈ আছে।

*উদাহৰণস্বৰূপে—*

(১) গোপনীয়তা ৰক্ষা কৰাৰ অধিকাৰ।
(২) বিদেশলৈ যোৱাৰ অধিকাৰ।
(৩) আইনৰ সাহায্য লোৱাৰ অধিকাৰ।
(৪) খৰতকীয়া বিচাৰ পোৱাৰ অধিকাৰ।
(৫) বিচাৰ ব্যৱস্থা লেহেমীয়া হোৱাৰ বিৰুদ্ধে অধিকাৰ।
(৬) হাতকেৰেয়া লগোৱাৰ বিৰুদ্ধে অধিকাৰ।
(৭) স্বাস্থ্যৰ যতন লোৱাৰ অধিকাৰ।
(৮) আশ্ৰয় লোৱাৰ অধিকাৰ।
(৯) ৰাজহুৱা ফাঁচি দিয়াৰ বিৰুদ্ধে অধিকাৰ ইত্যাদি।

গতিকে দেখা যায় গণনাকৃত অধিকাৰসমূহ স্পষ্ট আৰু অগণনাকৃত অধিকাৰসমূহ অস্পষ্ট আৰু সাব্যস্তকৰণৰ বাবে যথোচিত আইনী সুৰক্ষাসমূহো স্পষ্ট নহয়।

আনহাতে গণনাকৃত (Enumerated) মৌলিক অধিকাৰ বুলি কওঁতে পৌৰ আৰু ৰাজনৈতিক অধিকাৰসমূহক বুজায়, যিবোৰ পৌৰ আৰু ৰাজনৈতিক অধিকাৰ সম্পৰ্কীয় চুক্তি-পত্ৰ (ICCPR)-ত উল্লেখ আছে। ভাৰতীয় সংবিধানৰ তৃতীয় অধ্যায় (Part III)-ত উল্লেখ থকা নাগৰিকৰ মৌলিক অধিকাৰসমূহ আন্তৰ্জাতিক চুক্তি-পত্ৰতো উল্লেখ আছে। এনেবিলাক অধিকাৰ গণনাকৃত অধিকাৰৰ অন্তৰ্ভুক্ত।

Some rights under Economic and Social Rights (Art. 22 to 27) are not absolute in nature, may be termed as unenumerated Human Rights.

Scanned with CamScanner

## মানৱ অধিকাৰ সুৰক্ষা বিধি, ১৯৯৩ ঃ
## (The Protcetion of Human Rights Act 1993)

১৯৯৩ চনৰ ২৮ চেপ্তেম্বৰ তাৰিখে ভাৰতৰ ৰাষ্ট্ৰপতিয়ে স্বাক্ষৰ কৰাৰ লগে লগে 'মানৱ অধিকাৰ সুৰক্ষা বিধি ১৯৯৩' কাৰ্যকৰী হয়। 'মানৱ অধিকাৰ সুৰক্ষা বিধিৰ ১৯৯৩ আধাৰতে ১৯৯৩ চনৰ ১২ অক্টোবৰত ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগ গঠন কৰা হয়। ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগ এটা স্বতন্ত্ৰ অনুষ্ঠান যাৰ মূল লক্ষ্য হ'ল মানুহৰ অধিকাৰসমূহৰ সুৰক্ষা প্ৰদান কৰা।

আইনখনে মানৱ অধিকাৰ ৰক্ষাৰ ৰক্ষা কবচ হিচাবে কাম কৰিব য'ত ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগ আৰু ৰাজ্য ক্ষেত্ৰত ৰাজ্যিক মানৱ অধিকাৰ আয়োগ গঠন হ'ব, দুয়োটাই সাংবিধানিক অধিকাৰ প্ৰাপ্ত সংস্থা হ'ব।

৮ টা অধ্যায়ৰ মানৱ অধিকাৰ সুৰক্ষা আইনখনৰ প্ৰধান উদ্দেশ্য হৈছে ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় ক্ষেত্ৰত মানৱ অধিকাৰ আয়োগ গঠন কৰা আৰু মানৱ অধিকাৰ ক্ষেত্ৰখনত কাৰ্যকৰী ভূমিকা লোৱা।

| | | |
|---|---|---|
| ১ ম অধ্যায় | — | প্ৰাৰম্ভিক |
| ২ য় অধ্যায় | — | ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগ |
| ৩ য় অধ্যায় | — | মানৱ অধিকাৰ আয়োগৰ ক্ষমতা আৰু কাৰ্যৱলী |
| ৪ ৰ্থ অধ্যায় | — | কাৰ্য প্ৰক্ৰিয়া |
| ৫ ম অধ্যায় | — | ৰাজ্যিক মানৱ অধিকাৰ আয়োগৰ গঠন। |
| ৬ ষ্ঠ অধ্যায় | — | মানৱ অধিকাৰ আদালত |
| ৭ ম অধ্যায় | — | বিত্ত, হিচাব আৰু হিচাব পৰীক্ষণ |
| ৮ ম অধ্যায় | — | সানমিহলি বিষয় |

The Protcetion of Human Right Act 1993 (No 10 of 1994) ৰ প্ৰধান বৈশিষ্ট্যসমূহ ঃ

TPHRA ৰ প্ৰথম অধ্যায়ত কোৱা হৈছে যে—

১) আইনখন The Protcetion of Human Right Act 1993 নামে জনা যাব

২) জম্মু কাশ্মীৰকে ধৰি সমগ্ৰ ভাৰতত প্ৰযোজ্য হ'ব ( জন্ম অনুসুচী অনুসৰি)

৩) ১৯৯৩ চনৰ ২৮ চেপ্তেম্বৰ পৰা এই আইনখন কাৰ্যকৰী হয়।

TPHRA আইনৰ সংজ্ঞা নিৰ্দ্ধাৰিণ কৰি কোৱা হৈছে যে 'মানৱ অধিকাৰ' ৰ অৰ্থ

হ'ল— "Rights relating to life, liberty, equality, and dignity of the individuale glxxx guaranteed by the Constitution or embodied in the international convenants and enforceable by courts in India."

ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগ আৰু ৰাজ্যিক মানৱ অধিকাৰ আয়োগ গঠনৰ উদ্দেশ্যে 'মানৱ অধিকাৰ সুৰক্ষা আইন ১৯৯৩" গৃহিত কৰা হ'ল। য'ত ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগ দ্বিতীয় অধ্যায় আৰু ৰাজ্যিক মানৱ অধিকাৰ আয়োগৰ পঞ্চম অধ্যায়ৰ যোগেদি মানৱ অধিকাৰ বিষয় সমূহ চোৱা চিতা কৰা আৰু প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণৰ ব্যৱস্থা কৰা হৈছে। ষষ্ঠ অধ্যায় অনুসৰি এখন মানৱ অধিকাৰ আদালত থাকিব। চতুৰ্থ অধ্যায় মতে মানৱ অধিকাৰ ভংগৰ বিষয় সমূহ পৰ্যাপ্ত অনুসন্ধান আৰু ব্যৱস্থা গ্ৰহণৰ পৰামৰ্শ দিয়া, পঞ্চম অধ্যায়ত উল্লেখ আছে যে ৰাজ্যিক মানৱ অধিকাৰ আয়োগ গঠন কৰা ব্যৱস্থা গ্ৰহণ কৰা। অষ্টম অধ্যায়ত বিত্তীয় বিষয়ক মানৱীয় অধিকাৰ ৰক্ষণাবেক্ষণ কথাকে উল্লেখ আছে।

১৯৯৩ চনৰ ২৮ ছেপ্টেম্বৰৰ পৰা কাৰ্যকৰী হোৱা আইনখনৰ The Protcetion of Human Right Act, 1993 বহুকেইটা দফা ২০০৬ চনত (No-43) সংশোধন কৰা হয়। এই আইনখনৰ আন এটা উল্লেখযোগ্য কথা হ'ল ৰাজ্যিক ভিত্তিত মানৱ অধিকাৰ আয়োগ গঠন কৰি ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগৰ আৰ্হিত কেৱল ৰাজ্য ক্ষেত্ৰত মানৱ অধিকাৰ বিষয়ৰ পৰিচালনা কৰা। মানৱ অধিকাৰ আয়োগ সমূহ সম্পূৰ্ণৰূপে স্বতন্ত্ৰ আৰু ৰাজ্য চৰকাৰৰ বা কেন্দ্ৰীয় চৰকাৰৰ ক্ষেত্ৰত লোকসেৱা আয়োগৰ দৰে ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ নিয়ন্ত্ৰনৰ পৰা মুক্ত।

## ১৯৯৩ চনৰ মানৱ অধিকাৰ সুৰক্ষা আইনৰ অনুসৰি মানৱ অধিকাৰ আদালত ঃ

## (Human Right Courts in the Human Rights Protection Act 1993)

১৯৯৩ চনৰ আইনৰ আধাৰত মানৱ অধিকাৰ আদালতৰ ব্যৱস্থা দিয়া হৈছে। আইনখনৰ ষষ্ঠ অধ্যায়ত মানৱ অধিকাৰ আদালত গঠনৰ সম্পৰ্কে উল্লেখ আছে।

ৰাজ্য চৰকাৰে মানৱ অধিকাৰ ভঙ্গৰ বিষয় সমূহ চোৱা-চিতা কৰিবলৈ উচ্চন্যায়লয়ৰ মূখ্য ন্যায়ধীশৰ অনুমোদন ক্ৰমে প্ৰত্যেক জিলা ছেছন (সত্ৰ) ন্যায়ালয় স্থাপন কৰি মানৱ অধিকাৰ লঙঘনৰ বিষয় সমূহ চোৱা-চিতা কৰিব পাৰে। ৰাজ্যচৰকাৰে বিশেষ জাননী জাৰি কৰি গঠন কৰিব লগীয়া জিলা সত্ৰ ন্যায়লয়সমূহৰ (Court of Session) প্ৰধান দায় দায়িত্ব সমূহ সম্পষ্টকৈ উল্লেখ আছে।